**প্ৰেছ বাৰ্তা নং ঃ ১৪৮/২০২২**

# আইআইটি, গুৱাহাটীত অনুষ্ঠিত উত্তৰ-পূব গৱেষণা সন্মিলন, ২০২২ত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## সমাজ আৰু ৰাষ্ট্ৰৰ বিকাশৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিৰ ব্যৱহাৰৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ

## ৫৪৬ কোটি টকা ব্যয় সাপেক্ষ অত্যাধুনিক ছুপাৰস্পেচিয়েলিটি হাস্পতাল নিৰ্মাণৰ বাবে অসম চৰকাৰ আৰু আইআইটি, গুৱাহাটীৰ মাজত বুজাবুজিৰ চুক্তি সম্পাদিত

**দিছপুৰ, ২০ মে' ঃ** আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীৰ চৌহদত অনুষ্ঠিত উত্তৰ পূৱ গৱেষণা সন্মিলন, ২০২২ ত সন্মানীয় অতিথি হিচাপে অংশগ্ৰহণ কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

উল্লেখ্য যে, শৈক্ষিক আৰু ঔদ্যোগিক ক্ষেত্ৰৰ সৈতে জড়িত লোকসকলৰ বিশেষজ্ঞতা, সামগ্ৰী আৰু প্ৰযুক্তি প্ৰদৰ্শনৰ বাবে এক মঞ্চ প্ৰদান কৰাৰ লগতে অংশীদাৰসকলৰ মাজত ধাৰণাসমূহ বিনিময়ৰ বাবে এক যোগসূত্ৰ স্থাপনৰ উদ্দেশ্যে উমৈহতীয়া আন্তঃপৃষ্ঠ ব্যৱস্থা আগবঢ়োৱাৰ লক্ষ্যৰে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটী, বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ আৰু অসম চৰকাৰৰ শিক্ষা বিভাগৰ যৌথ সহযোগত এই সন্মিলনৰ আয়োজন কৰা হৈছে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই এই পদক্ষেপৰ বাবে আইআইটি, গুৱাহাটী প্ৰশাসনৰ ভূমিকাক প্ৰশংসা কৰি কয় যে বৈজ্ঞানিক সম্প্ৰদায় আৰু প্ৰযুক্তি উদ্যোগৰ মাজত গৱেষণা আৰু বিকাশক উৎসাহিত কৰাৰ দিশত পৰিৱেশ সৃষ্টিত এই সন্মিলনে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব। দেশৰ আন কোনো প্ৰান্তত গৱেষণাৰ সৈতে জড়িত এনে বিষয়বস্তুৰ আধাৰত কোনো অনুষ্ঠানৰ আয়োজন কৰা হোৱা নাই বুলি তেওঁক অৱগত কৰোৱা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই বিশাল সন্মিলন আয়োজন কৰাৰ বাবে টীম আইআইআইটিলৈ কৃতজ্ঞতা জ্ঞাপন

কৰে। গৱেষণা, উন্নয়ন আৰু উদ্ভাৱনৰ প্ৰসাৰৰ প্ৰতি আইআইটি, গুৱাহাটীৰ দায়বদ্ধতা আৰু গুৰুত্বৰ কথাকে প্ৰতিফলন কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে সন্মিলনত উপস্থিত থকা সকলো অতিথি আৰু প্ৰতিনিধিয়ে স্বীকাৰ কৰিব যে এটা জাতিৰ বিকাশ আৰু সমৃদ্ধিৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তি অত্যন্ত প্ৰয়োজন। যুক্তিসংগত আৰু কাৰ্যক্ষম ব্যৱস্থাৰে বিজ্ঞান আৰু প্ৰযুক্তিগত সেৱাসমূহে স্বাস্থ্য আৰু পৰিপুষ্টি, শিক্ষা, কৃষি, জলসম্পদ আৰু উদ্ভাৱনৰ বাবে মৌলিক আন্তঃগাঁথনিৰ উন্নয়ন সাধনত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে।

নতুন শিক্ষা নীতিত গৱেষণা আৰু উদ্ভাৱনৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত আমি যি কৃতিত্ব আহৰণ কৰিছোঁ সেই বিষয়সমূহ সমাজখনক জনোৱাৰ প্ৰয়োজন আছে। বিজ্ঞানে জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিব লাগিব। তেওঁ লগতে কয় যে আমি যেতিয়া উদ্ভাৱন আৰু গৱেষণাক শক্তিশালী কৰিব পাৰিম তেতিয়াহে আমাৰ দেশে প্ৰতিযোগিতামূলক দিশত উদ্ভাষিত হৈ উঠিব আৰু দেশখনে অধিক প্ৰগতিৰ দিশেৰে আগুৱাই যাবলৈ সক্ষম হ'ব।

তেওঁ কয় যে যোৱা কিছু বছৰত উত্তৰ পূবৰ ৰাজ্যসমূহে বিজ্ঞান আৰু প্ৰযুক্তি, জৈৱ বৈচিত্ৰ্য, জৈৱিক কৃষি, নবীকৰণযোগ্য শক্তি আদিৰ ক্ষেত্ৰত উদ্ভাৱনৰ দিশত এক অগ্ৰগামী যাত্ৰা আৰম্ভ কৰিছে। তথাপি আমাৰ অঞ্চলত থকা সম্পূৰ্ণ সম্ভাৱনাক বিকশাই তুলিবলৈ হ'লে পূৰ্বতকৈ অধিক শক্তিশালীভাৱে গৱেষণা আৰু উদ্ভাৱনাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব বুলিও তেওঁ কয়। এই সন্মিলত উপস্থিত থকা উত্তৰ পূবৰ ৰাজ্যসমূহৰ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি মুখ্যমন্ত্ৰীয়ে বৈজ্ঞানিক গৱেষণা আৰু বিকাশক উৎসাহিত কৰাৰ দিশত এক সংস্কৃতি গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ইয়াৰ পিছত মুখ্যমন্ত্ৰীয়ে বিজ্ঞান আৰু প্ৰযুক্তি খণ্ডত নিয়োজিত থকা ঔদ্যোগীক গোটসমূহে উদ্ভাৱন আৰু প্ৰযুক্তি সম্পৰ্কীয় বিষয়সমূহ আলোকপাত কৰা এক প্ৰদৰ্শনীও দৰ্শন কৰে।

**অসম চৰকাৰ আৰু আই আই টি গুৱাহাটীৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ ঃ**

দেশৰ স্বাস্থ্যসেৱা উদ্ভাৱন ক্ষেত্ৰত এক নতুন দিগন্ত সূচনাৰে 'অসম উন্নত স্বাস্থ্য উদ্ভাৱন প্ৰতিষ্ঠান' (এ এ এইচ আই আই) স্থাপনৰ বাবে আজি কেন্দ্ৰীয় শিক্ষা, দক্ষতা বিকাশ আৰু উদ্যমিতা দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত অসম চৰকাৰ আৰু আইআইটি, গুৱাহাটীয়ে এক বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। উন্নত প্ৰযুক্তিৰ প্ৰয়োগেৰে চিকিৎসা বিজ্ঞানৰ ৰূপান্তৰৰ বাবে এক গৱেষণা প্ৰতিষ্ঠান স্থাপনৰ উদ্দেশ্যে অসম চৰকাৰ আৰু

আইআইটি গুৱাহাটীৰ মাজত ই এক অনন্য অংশীদাৰিত্ব হ'ব। গৱেষণা প্ৰতিষ্ঠান আৰু স্নাতকোত্তৰ চিকিৎসা মহাবিদ্যালয় স্থাপন, ডিএনবি, এমডি, পিএইচডি, এমএছ, এমডি-পিএইচডি আদি উন্নত চিকিৎসা ডিগ্ৰী প্ৰদান, ৩৫০ খন বিচনা যুক্ত 'সংযোজিত' মাল্টি স্পেচিয়েলিটি হাস্পতাল এই অংশীদাৰিত্বৰ পৰিসৰ হ'ব। আইআইটি গুৱাহাটীৰ বৰ্তমানৰ চৌহদত ৫০ হাজাৰ বৰ্গ মিটাৰ বিস্তাৰিত এলেকাক সামৰি এই প্ৰতিষ্ঠানখন গঢ়ি তোলা হ'ব।

মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক দিনত এই হাস্পতালখন নিৰ্মাণ হৈ উঠিলে শেহতীয়া প্ৰযুক্তি আৰু বৈজ্ঞানিক উদ্ভাৱনৰ ব্যৱহাৰৰ জৰিয়তে চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত অত্যাধুনিক গৱেষণাৰ বাবে এক মঞ্চ প্ৰদান কৰিব। ৰাজ্য চৰকাৰে এই হাস্পতালৰ বাবে বিত্তীয় সাহায্য হিচাপে ৫৪৬ কোটি টকা আৰ্থিক অনুদান আগবঢ়াব আৰু প্ৰথম পৰ্যায়ত ৭ বছৰৰ বাবে অন্যান্য সহযোগিতা আগবঢ়াব বুলি তেওঁ কয়। প্ৰথমবাৰৰ বাবে ৰাজ্য চৰকাৰে চিকিৎসা গৱেষণা আৰু উদ্ভাৱনাৰ ক্ষেত্ৰত কেন্দ্ৰীয় পুঁজিৰে চলি থকা কাৰিকৰী প্ৰতিষ্ঠানক সহায় কৰিবলৈ আগবাঢ়ি আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে।

অনুষ্ঠানত উপস্থিত থাকি কেন্দ্ৰীয় শিক্ষা, দক্ষতা বিকাশ আৰু উদ্যমিতা দপ্তৰৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিচাপে শাসন ভাৰ লোৱাৰ পিছৰে পৰা বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নয়নৰ সাধনৰ বাবে গ্ৰহণ কৰা উৎসাহী পদক্ষেপৰ বাবে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী, কেন্দ্ৰীয় শিক্ষা ৰাজ্যিক মন্ত্ৰী ড° সুভাষ সৰকাৰ, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী ৰাজকুমাৰ ৰাজন সিং, অসমৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ  পেগু, স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, সাংসদ কুইন ওজা, চিকিমৰ বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কৰ্ম লোদয় ভূটীয়া আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**আয়ন / পুঃডেঃ**

**২০/০৫/২০২২**